তোমালোকে ইয়াহুদী আৰু নাচাৰাসকলক প্ৰথমে ছালাম নকৰিবা। ৰাস্তাত যদি সিহঁতৰ মাজৰ কাৰোবাৰ সৈতে তোমালোকৰ সাক্ষাৎ হয় তেন্তে তাক সংকীৰ্ণ পথেৰে যাবলৈ বাধ্য কৰিবা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে ইয়াহুদী আৰু নাচাৰাসকলক প্ৰথমে ছালাম নকৰিবা। ৰাস্তাত যদি সিহঁতৰ মাজৰ কাৰোবাৰ সৈতে তোমালোকৰ সাক্ষাৎ হয় তেন্তে তাক সংকীৰ্ণ পথেৰে
যাবলৈ বাধ্য কৰিবা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত ইয়াহুদী আৰু খ্ৰীষ্টানসকলক প্ৰথমে ছালাম দিবলৈ নিষেধ কৰিছে, যদিও সিহঁত যিম্মী হয়, অন্যান্য কাফিৰৰ বিপৰীতে। লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, যেতিয়া আমাৰ সৈতে ৰাস্তাত সিহঁতৰ সাক্ষাৎ হ'ব তেতিয়া আমি যেন সিহঁতক সংকীৰ্ণ পথেৰে যাবলৈ বাধ্য কৰোঁ। মুমিনে যেন ৰাস্তাৰ মাজেৰে খোজকাঢ়ে। কাফিৰে যেন ছাইড দিবলৈ বাধ্য হয়। কোনো অৱস্থাতে যেন মুছলিমে অপমান অপদস্থ নহয়।

http://www.sunnah.global/hadeeth/as/show/5347